# দুখীয়া ছাত্র-ছাত্ৰীৰ মাচুল ৰেহাই সন্দৰ্ভত জাননী

অসম চৰকাৰে ‘জনসংযোগ/৩১৯৮/১৭’ নম্বৰ বিজ্ঞাপন যোগে জাৰি কৰা নিৰ্দেশনা অনুসৰি চন্দ্ৰনাথ বেজবৰুৱা মহাবিদ্যালয় কৰ্তৃপক্ষই স্নাতক মহলাত নামভৰ্ত্তি কৰিব লগা দুখীয়া ছাত্র-ছাত্ৰীৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি মাচুল ৰেহাইৰ বাবে তলত উল্লেখ কৰা নিয়মসমূহ ছাত্র-ছাত্ৰীয়ে মানি চলিব লাগিব।

১) ছাত্র/ছাত্ৰীগৰাকীৰ পিতৃ-মাতৃ বা অভিভাৱকৰ বছৰেকীয়া আয় এক লাখ বা তাতকৈ কম হ’ব লাগিব।

২) মাচুল ৰেহাই বিচৰা ছাত্র/ছাত্ৰীৰ পিতৃ-মাতৃ বা অভিভাৱক কোনো ৰাজ্যিক/কেন্দ্ৰীয়/অৰ্দ্ধ ৰাজ্যিক/কেন্দ্ৰীয় অথৱা ৰাজ্যিক চৰকাৰৰ দ্বাৰা শাসিত কোনো অনুষ্ঠানৰ কৰ্মচাৰী নহয় বুলি ছাত্র/ছাত্ৰীগৰাকীয়ে মহাবিদ্যালয় কৰ্তৃপক্ষক লিখিতভাৱে জনাব লাগিব।

৩) ছাত্র-ছাত্ৰীৰ পিতৃ-মাতৃ বা অভিভাৱকৰ বাৰ্ষিক আয়ৰ প্ৰমাণপত্ৰ স্থানীয় ৰাজহ চক্ৰ বিষয়া বা মৌজাদাৰে দিব লাগিব।

৪) ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানত চাকৰি কৰা পিতৃ-মাতৃ বা অভিভাৱকে নিয়োগকৰ্তাৰ পৰা বাৰ্ষিক আয়ৰ প্ৰমাণ পত্ৰ দিব লাগিব।

৫) ব্যৱসায়ীক প্ৰতিষ্ঠানৰ মালিক পিতৃ-মাতৃ বা অভিভাৱকে ২০১৭ চনৰ আয়কৰ বিভাগৰ প্ৰমাণ পত্ৰ জমা দিব লাগিব।

৬) মাচুল ৰেহাই বিচৰা ছাত্র/ছাত্ৰীয়ে নিজা বাসগৃহ অথৱা ৰাজহুৱা স্থানত একোটাকৈ গছপুলি ৰোপন কৰি থকাৰ প’ষ্টকাৰ্ড জোখৰ আলোকচিত্ৰ মহাবিদ্যালয় কৰ্তৃপক্ষক জমা দিব লাগিব।

৭) মাচুল ৰেহাই বিচৰা ছাত্র/ছাত্ৰীয়ে লেমিনেচন নকৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ নম্বৰ তালিকা (Original Marksheet) দাখিল কৰিব লাগিব। তেনে ছাত্র-ছাত্ৰীৰ নম্বৰ তালিকাৰ পিছফালে মোহৰ মাৰি দিয়া হ’ব।